# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-11-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**-------------------**

ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত বছৰজোৰা বিশেষ স্মৃতিচাৰণ অনুষ্ঠানৰ শুভাৰম্ভ কৰে। তেওঁ লগতে এটা স্মাৰক ডাক টিকট আৰু মুদ্ৰাও মুকলি কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ৰাজহুৱা স্থানত বন্দে মাতৰমৰ পূৰ্ণ সংস্কৰণ গোৱা হয় আৰু সমাজৰ সকলো শ্ৰেণীৰ লোকে ইয়াত অংশগ্ৰহণ কৰে।

অসমতো সকলো জিলা আৰু সম-জিলাত দেশ মাতৃৰ প্ৰতি সমৰ্পিত দেশভক্তি আৰু আধ্যাত্মিকতাৰ ভাবেৰে পূৰ্ণ বন্দে মাতৰমৰ ১৫০ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে গীতটি সমূহীয়াকৈ পৰিৱেশন কৰে। দিছপুৰৰ জনতাভৱন চৌহদত এই উপলক্ষে আয়োজিত ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী মন্ত্ৰীয়ে এই গীতটি পৰিৱেশন কৰে।

-গীত-

অসম চৰকাৰৰ শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি, গুৱাহাটী মহানগৰীৰ বিভিন্ন শিক্ষানুষ্ঠানত আজি শিক্ষাৰ্থীসকলে সমূহীয়াকৈ বন্দে মাতৰম পৰিৱেশন কৰে। চিৰাঙৰ কাজলগাঁৱত জিলা প্ৰশাসনৰ উদ্যোগত কেইবাখনো বিদ্যালয়ৰ শিক্ষাৰ্থীয়ে বন্দে মাতৰম পৰিৱেশন কৰে। মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰী কৃষ্ণেন্দু পালৰ উপস্থিতিত **শ্ৰীভূমি জিলাত** দেশৰ ৰাষ্ট্ৰীয় গীতটো পৰিৱেশন কৰা হয়।

দেশৰ অন্য প্ৰান্তৰ দৰে **বৰপেটা জিলা**তো ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ডেৰশ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ত চৰকাৰী কৰ্মচাৰীসকলৰ লগতে আৰক্ষী প্ৰশাসনৰ লোকসকলে সমূহীয়াকৈ ৰাষ্ট্ৰীয় গীত পৰিৱেশন কৰে। **শিলচৰত জিলা** বিজেপিৰ উদ্যোগত ইটাখনাৰ পৰা বিজেপি কাৰ্যালয়লৈ পদ যাত্ৰা উলিওৱা হয়।

উল্লেখযোগ্য যে, বংকিমচন্দ্ৰ চট্টোপাধ্যায়ে ১৮৭৫ চনৰ সাত নৱেম্বৰত বন্দে মাতৰম ৰচনা কৰিছিল।

০০০০০

কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ গহপুৰত ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এই  বিশ্ববিদ্যালয়ৰ নিৰ্মাণকাৰ্যত ব্যৱহাৰ হ'বলগীয়া অমৃত কলহ কঢ়িয়াই নিয়া বাহনৰ যাত্ৰাৰ  শুভাৰম্ভ কৰে। বিশ্ববিদ্যালয়খনৰ আধাৰশিলা স্থাপনৰ বাবে শ্ৰীমন্ত শংকৰদেৱৰ কলাক্ষেত্ৰত সংৰক্ষণ কৰি ৰখা ২৭০টা অমৃত কলহ গহপুৰলৈ লৈ যোৱা হৈছে। উল্লেখযোগ্য যে 'মোৰ

মাটি, মোৰ দেশ’ কাৰ্যসূচীৰ অংশ হিচাপে ২০২৩ বৰ্ষৰ ২০ ছেপ্তেম্বৰৰ পৰা ৰাজ্যত অমৃত কলহ যাত্ৰাৰ ৰূপায়ণ কৰি প্ৰতিখন গাঁও আৰু পৌৰ এলেকাৰ প্ৰতিটো ৱাৰ্ডৰ পৰা সংগ্ৰহ কৰা মাটি বা চাউল অমৃত কলহত সংগ্ৰহ কৰা হৈছিল।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় ৰাজ্য চৰকাৰৰ এটা অন্যতম অভিলাষী প্ৰকল্প আৰু এই বিশ্ববিদ্যালয়খন প্ৰযুক্তি আধাৰিত বৃত্তিমূলক শিক্ষা আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় হ’ব।

এই বিশ্ববিদ্যালয়খনক সকলো দিশতে আগশাৰীৰ এখন প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে পৰ্যাপ্ত পুঁজি আৱণ্টনৰ ব্যৱস্থা কৰিছে। ইয়াত কৃত্ৰিম বুদ্ধিমত্তা, ৰব’টিক ছায়েন্স, থ্ৰী ডি প্ৰিণ্টিঙকে ধৰি কেইবাটাও নতুন নতুন বিষয় অন্তৰ্ভুক্ত কৰা হ’ব।

০০০০০

মহিলা বিশ্বকাপ ক্ৰিকেটৰ খিতাপ দখল কৰাৰ পিছত আজি প্ৰথমবাৰৰ বাবে ভাৰতীয় দলটোৰ সদস্যা উমা চেত্ৰী গোলাঘাট জিলাৰ বোকাখাটৰ স্বগৃহত উপস্থিত হয়। কান্দুলীমাৰীৰ বাসগৃহত উপস্থিত হোৱাৰ পিছতেই দল-সংগঠনৰ লগতে শুভাকাংক্ষীসকলে তেওঁক আদৰণি জনায়। বোকাখাট জিলা ক্ৰীড়া সন্থাৰ লগতে অসম গোৰ্খা সন্মিলনী আৰু ইলেকট্ৰনিক মিডিয়া জাৰ্নেলিষ্ট এচ’ছিয়েছনৰ তৰফৰ পৰা উমাক সম্বৰ্ধনা জনোৱা হয়। তেওঁ সংবাদমাধ্যমৰ আগত প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰাৰ অভিজ্ঞতা সন্দৰ্ভত এইদৰে কয়-

***(বাইট ঃ চেত্ৰী)***

স্বগৃহত উপস্থিত হোৱাৰ পিছতেই কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে উমা চেত্ৰীক ফোনযোগে শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। মহিলা ক্ৰিকেট দলটোৰ এই সাফল্যৰ বাবে কেন্দ্ৰীয় মন্ত্ৰীমন্ত্ৰীগৰাকীয়ে গৌৰৱবোধ কৰা বুলি উমা চেত্ৰীক অৱগত কৰে। ইয়াৰ লগতে তেওঁ উমাক অসমৰ গৌৰৱ বুলি অভিহিত কৰে। ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা ক্ৰীড়া সাংসদ খেল মহোৎসৱলৈ উমা চেত্ৰীক শ্ৰী সোণোৱালে আমন্ত্ৰণ জনায়।

০০০০০

ঃঃ সমাপ্ত ঃঃ